**ভাৰতীয় তেল নিগম লিমিটেড**

**বনাম**

**অসম ৰাজ্য আৰু অন্যান্য**

**নৱেম্বৰ ২৭, ২০০৬**

**[ ন্যায়াধীশ অশোক ভান, আল্টামাছ কবিৰ আৰু দলবীৰ ভাণ্ডাৰী]**

*বিক্ৰী কৰ :*

*অসম সাধাৰণ বিক্ৰী কৰ অধিনিয়ম, ১৯৯৩ --- অসম সাধাৰণ বিক্ৰীৰ কৰ অধিনিয়ম, ১৯৯৩ ৰ ধাৰা ৮(১)ৰ অন্তৰ্গত ব্যাখ্যা I আৰু IIৰ লগতে ১২ নং নিয়ম --- এই অধিনিয়মৰ অধীনত পঞ্জীয়নভুক্ত ব্যৱসায়ী, আপীলকাৰী-কোম্পানীয়ে বিক্ৰী কৰ পৰিশোধ কৰি ৰিফাইনেৰি এণ্ড পেট্ৰ'কেমিকেলছ কোম্পানী (বি আৰ পি এল) ৰ পৰা পেট্ৰ'লিয়ামৰ সামগ্ৰী ক্ৰয় কৰিছিল আৰু তাৰ পিছত কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰা মূল্যত উক্ত সামগ্ৰীখিনি বিক্ৰী কৰিছিল --- বিক্ৰী কৰ পৰিশোধ কৰাৰ বাবে আপিলকাৰীৰ দায়বদ্ধতাৰ সম্পৰ্কে বিবাদ --- ৰায় প্ৰদান কৰা হৈছিল : আপিলকাৰীয়ে কৰা পুনঃ-বিক্ৰীক অধিনিয়মখনৰ লগতে নিয়মাৱলীৰ অৰ্থৰ অধীনত প্ৰথম বিক্ৰী হিচাপে গণ্য কৰা হৈছিল যিহেতু পুনঃ-বিক্ৰীৰ মূল্যই ক্ৰয় মূল্যৰ ৪০% তকৈ অধিক অতিক্ৰম কৰিছিল। অৱশ্যে, যিহেতু বি আৰ পি এলৰ পৰা ক্ৰয় কৰাৰ সময়ত আপীলকাৰীয়ে বিক্ৰী কৰ পৰিশোধ কৰিছিল, সেয়েহে, পুনঃ-বিক্ৰীৰ মূল্য আৰু ক্ৰয় মূল্যৰ পাৰ্থক্যৰ ওপৰতহে বিক্ৰী কৰ আৰোপ কৰা হ'ব --- সমগ্ৰ পুনঃ-বিক্ৰয়ৰ মূল্যৰ ওপৰত আপীলকাৰীক বিক্ৰী কৰ পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়াটো দুগুণ কৰ আদায় দিয়াৰ সমতুল্য হ'ব।*

**অসম সাধাৰণ বিক্ৰী কৰ অধিনিয়ম, ১৯৯৩ৰ অধীনত পঞ্জীয়নভুক্ত ব্যৱসায়ী, আপীলকাৰী-কোম্পানীয়ে অধিনিয়মখনৰ বিধান অনুযায়ী বিক্ৰী কৰ পৰিশোধ কৰি ৰিফাইনেৰি এণ্ড পেট্ৰ'কেমিকেলছ কোম্পানী (বি আৰ**

পি এল) ৰ পৰা পেট্ৰ'লিয়ামৰ সামগ্ৰীবোৰ ক্ৰয় কৰিছিল আৰু তাৰ পিছত কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰা মূল্যত উক্ত সামগ্ৰীখিনি বিক্ৰী কৰিছিল। উক্ত নিৰ্ধাৰিত মূল্যত "উপকৰ" সন্নিৱিষ্ট হৈ আছিল যিটো আপীলকাৰীয়ে ক্ৰেতাৰ পৰা সংগ্ৰহ কৰি 'অইল পুল একাউন্ট' ত জমা দিব লাগিছিল।

আপীলকাৰীয়ে লাভ কৰা/বহন কৰা "ক্ৰয় মূল্য" আৰু "বিক্ৰয় মূল্য" ৰ মাজৰ পাৰ্থক্য ৪০% তকৈ বহুত কম আছিল; অৱশ্যে, যদি "বিক্ৰয় মূল্য" ত 'উপকৰ' অন্তৰ্ভুক্ত কৰা হ'লহেঁতেন তেন্তে পাৰ্থক্যটো ৪০% তকৈ অধিক হৈ পৰিলহেঁতেন। অসম সাধাৰণ বিক্ৰী কৰ অধিনিয়ম, ১৯৯৩ ৰ ধাৰা ৮(১)(এ) ৰ ব্যাখ্যা নং ১ৰ লগতে ১২ নং নিয়মৰ মতে, যদি কোনো ব্যৱসায়ীৰ পুনৰ বিক্ৰীৰ মূল্যই ক্ৰয় মূল্যৰ ৪০% ক অতিক্ৰম কৰিলেহেঁতেন, তেন্তে উক্ত পুনৰ বিক্ৰীক ৰাজ্যখনৰ ভিতৰতে প্ৰথম নম্বৰৰ বিক্ৰী বুলি গণ্য কৰা হ'লহেঁতেন।

এই ন্যায়ালয়ত বিবেচনা কৰিবৰ কাৰণে উত্থাপন হোৱা প্ৰশ্নটো হ'ল যে আপীলকাৰী-কোম্পানীয়ে কৰা বিক্ৰীক নিয়মাৱলীৰ ধাৰা ৮(১)(এ) ৰ ব্যাখ্যা নং ১ৰ লগতে ১২ নং নিয়মৰ অৰ্থৰ অধীনত প্ৰথম বিক্ৰী বুলি গণ্য কৰা হ'ব নে নহয়, যিহেতু পুনৰ বিক্ৰীৰ মূল্যই ক্ৰয় মূল্যৰ ৪০% ক অতিক্ৰম কৰিছিল আৰু সেইটো যিমানখিনিলৈকে হয় আপীলকাৰী-কোম্পানীয়ে বি আৰ পি এলৰ পৰা ক্ৰয় কৰা পেট্ৰ'লিয়ামৰ সামগ্ৰীবোৰৰ ওপৰত বিক্ৰী কৰ পৰিশোধ কৰিছিল, কিন্তু পুনৰ বিক্ৰী মূল্য আৰু ক্ৰয় মূল্যৰ পাৰ্থক্যৰ ওপৰতহে কেৱল বিক্ৰী কৰ আৰোপ কৰা হ'ব তথা সমগ্ৰ পুনৰ বিক্ৰীৰ মূল্যৰ ওপৰত নহয়।

আপীলটো খাৰিজ কৰি, ন্যায়ালয়ে ৰায় প্ৰদান কৰিছিল যে,

১.১/ অসম সাধাৰণ বিক্ৰী কৰ অধিনিয়ম ৰ অন্তৰ্গত ধাৰা ৮(১)(এ) আৰু ব্যাখ্যা I আৰু II ৰ সংযুক্ত পঠনে স্পষ্টভাৱে উক্ত সিদ্ধান্তত উপনীত কৰায় যে দ্বিতীয় স্থানৰ বিক্ৰীক প্ৰথম স্থানলৈ স্থানান্তৰিত কৰা হ'লহেঁতেন, যদিহে এজন ব্যৱসায়ীৰ পুনৰ বিক্ৰীৰ মূল্যই ক্ৰয় মূল্যৰ ৪০% ক অতিক্ৰম কৰিলেহেঁতেন। স্বীকাৰ্য্যভাৱে, উক্ত মোকৰ্দমাত পুনৰ বিক্ৰীৰ মূল্যই ক্ৰয় মূল্যৰ ৪০% ক অতিক্ৰম কৰিছিল, সেয়েহে পুনৰ বিক্ৰীৰ মূল্যক এক নম্বৰৰ বিক্ৰী বুলি ধৰা হৈছিল। [৭২২-এফ]

**১.২/ অধিনিয়মখনৰ অন্তৰ্গত আঁচনিখনৰ মতে, বিশেষকৈ ৮ নং ধাৰাৰ উপ-ধাৰা (১) ৰ অধীনত একেখন ৰাজ্যতে দুগুণ কৰ আৰোপ কৰাৰ কথা অৱতাৰণা কৰা হোৱা নাছিল। উক্ত মোকৰ্দমাত, বি আৰ পি এলৰ পৰা ক্ৰয় কৰা পেট্ৰ'লিয়ামৰ সামগ্ৰীবোৰৰ ওপৰত আপীলকাৰী-কোম্পানীয়ে বিক্ৰী কৰ পৰিশোধ কৰিছিল। তেনে ক্ষেত্ৰত, অধিনিয়মখনৰ অন্তৰ্গত আঁচনি অনুসৰি বিক্ৰী কৰ কেৱল পুনৰ বিক্ৰী মূল্য আৰু ক্ৰয় মূল্যৰ পাৰ্থক্যৰ ওপৰতহে আৰোপ কৰা হ'ব, যিহেতু অধিনিয়মখনৰ ধাৰা ৮ ৰ অন্তৰ্গত উপ-ধাৰা (১) ৰ অধীনত প্ৰথম স্থানৰ বিক্ৰীতহে কৰ আৰোপ কৰা হয়। আপীলকাৰী-কোম্পানীটোৱে বি আৰ পি এলৰ পৰা সামগ্ৰী ক্ৰয় কৰিছিল আৰু স্বীকাৰ্য্যভাৱে উক্ত ক্ৰয়ৰ ওপৰত বিক্ৰী কৰ আদায় দিছিল। অধিনিয়মখনৰ অন্তৰ্গত বিধান সমূহৰ স্পষ্ট গাঁথনি অনুসৰি, আপীলকাৰীয়ে এতিয়া মাথোন ক্ৰয় মূল্য আৰু সমগ্ৰ বিক্ৰী মূল্যৰ মাজত থকা ব্যৱধানৰ পৰিমাণৰ ওপৰতহে বিক্ৰী কৰ পৰিশোধ কৰাৰ বাবে দায়বদ্ধ আছিল। পুনঃ বিক্ৰীৰ সমগ্ৰ পৰিমাণৰ ওপৰত আপীলকাৰী-কোম্পানীক বিক্ৰী কৰ পৰিশোধ কৰিবলৈ নিৰ্দেশ দিলে দুগুণ কৰ আৰোপ কৰাক সূচাব। [৭২২-জি-এইচ্; ৭২৩-এ]**

*মেচাৰ্ছ এডভাঞ্চ ব্ৰিকচ্ কোম্পানী বনাম এছেছিং কৰ্তৃপক্ষ, ৰোহতাক আৰু অন্যান্য,* **[১৯৮৭] সংযোজন(Supp.) এছ চি চি ৬৫০, গোচৰটো উল্লেখ কৰা হৈছিল।**

**২/ যি কি নহওঁক, প্ৰতিবাদীসকলে স্পষ্টভাৱে অভিযোগ কৰিছিল যে উক্ত আপীলকাৰী-কোম্পানীয়ে সমগ্ৰ পুনৰ বিক্ৰীৰ মূল্যৰ ওপৰত বিভিন্ন ব্যৱসায়ীৰ জৰিয়তে গ্ৰাহকৰ পৰা বিক্ৰী কৰ সংগ্ৰহ কৰিছিল, কিন্তু সংগ্ৰহ কৰা বিক্ৰীৰ সমগ্ৰ কৰ প্ৰতিবাদী-ৰাজ্য চৰকাৰৰ ওচৰত জমা কৰাৰ পৰিৱৰ্তে ইয়াৰ অপব্যৱহাৰ কৰিছিল। অভিযোগ কৰা তথ্য যদি শুদ্ধ হয় তেন্তে সমগ্ৰ বিক্ৰয়ৰ ওপৰত গ্ৰাহকৰ পৰা সংগ্ৰহ কৰা ধনৰাশি বিক্ৰীৰ কৰৰ কাৰণে জমা কৰি ৰাখিবলৈ নিৰ্দেশ দিব নোৱাৰি। যদি কোনো ৰকমৰ সংগ্ৰহ কৰা ধনৰাশি আছিল, তেন্তে সেয়া ৰাজ্য চৰকাৰৰ ওচৰত জমা দিব লগা হৈছিল। উক্ত তথ্যগত বিতৰ্ক সমাধান কৰাটো ন্যায়ালয়ৰ পক্ষে সম্ভৱ**

**নহয় যে প্ৰকৃততে আপীলকাৰী-কোম্পানীয়ে সমগ্ৰ ধনৰ ওপৰত গ্ৰাহকৰ পৰা বিক্ৰী কৰ সংগ্ৰহ কৰিছিল নে নাই। এই তথ্যটো নিশ্চিত কৰিবৰ কাৰণে উক্ত বিষয়টি জ্যেষ্ঠ কৰ অধিক্ষকলৈ প্ৰেৰণ কৰাটো উপযুক্ত হ'ব যে প্ৰতিবাদীসকলে অভিযোগ কৰাৰ দৰে আপীলকাৰী-কোম্পানীয়ে প্ৰকৃততে সমগ্ৰ বিক্ৰীৰ ওপৰতে বিক্ৰী কৰ সংগ্ৰহ কৰিছিল নে নাই। [৭২৩-বি-ই]**

**দেৱানী আপীলৰ ক্ষেত্ৰাধিকাৰ : আপীল নং ৬৬১৯/২০০১ ।**

ডব্লিউ. এ. নং ৩৬/১৯৯৯ ৰ ওপৰত গৌহাটী উচ্চ ন্যায়ালয়ে ০৩/০৫/২০০১ তাৰিখে প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰ হৈ জি. ই. বাহনৱতী, এছ. জি., এ. চৰফ, বিজয় হনচাৰিয়া, পি. আই. জ'চ, হৃষিকেশ বৰুৱা আৰু দেৱাশীষ।

প্ৰতিবাদীসকলৰ হৈ চি. এ. সুন্দৰম, শ্ৰীমতী মমতা অনিঅম (মেচাৰ্চ কৰ্প'ৰেট ল' গ্ৰুপৰ বাবে)।

ন্যায়ালয়ৰ ৰায় প্ৰদান কৰিছিল

**ন্যায়াধীশ দলবীৰ ভাণ্ডাৰী।** এই আপীল অসম, নাগালেণ্ড, মেঘালয়, মণিপুৰ, ত্ৰিপুৰা, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়ে ১৯৯৯ চনৰ লেখ আপীল নং ৩৬ ত ০৩/০৫/২০০১ তাৰিখে প্ৰদান কৰা ৰায়ৰ বিৰুদ্ধে নিৰ্দেশিত। আপীলকাৰী ইণ্ডিয়ান অইল কৰ্প'ৰেশ্যন হৈছে কোম্পানী অধিনিয়ম, ১৯৫৬ ৰ অধীনত গঠন হোৱা এক সীমিত কোম্পানী আৰু অসম সাধাৰণ বিক্ৰী ৰাজ অধিনিয়ম, ১৯৯৩ (ইয়াত পিছত "অধিনিয়মখন" বুলি কোৱা হ'ব) ৰ অধীনত পঞ্জীয়নভুক্ত এটি ব্যৱসায়। অসম ৰাজ্যকে ধৰি সমগ্ৰ দেশত পেট্ৰ'লিয়ামৰ সামগ্ৰী বিক্ৰী আৰু যোগানৰ ব্যৱসায়ৰ ক্ষেত্ৰত আপীলকাৰী কোম্পানীটো জড়িত হৈ আছে।

অধিনিয়মখনৰ বিধান অনুযায়ী বিক্ৰী কৰ পৰিশোধ কৰি আপীলকাৰী-কোম্পানীটোৱে বঙাইগাঁও ৰিফাইনেৰি এণ্ড পেট্ৰ'কেমিকেলছ লিমিটেড (ইয়াত পিছত "বি আৰ পি এল" বুলি উল্লেখ কৰা হ'ব) ৰ বিভিন্ন ধৰণৰ পেট্ৰ'লিয়ামৰ সামগ্ৰী

ক্রয় কৰি আহিছে। ভাৰত চৰকাৰে গঠন কৰা তেলৰ মূল্যৰ সমিতিৰ পৰামৰ্শ মতে, চৰকাৰে ১৬/১২/১৯৭৭ তাৰিখৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল য'ত কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰা মূল্যত এই সামগ্ৰীসমূহ বিক্ৰী কৰিবলৈ এজন ব্যৱসায়ীৰ প্ৰয়োজন হৈছিল আৰু কেন্দ্ৰীয় চৰকাৰে এনেদৰে নিৰ্ধাৰণ কৰা মূল্যত ক্ৰেতাৰ পৰা সংগ্ৰহ কৰি 'অইল পুল একাউন্ট'ত জমা কৰিবলগীয়া উপকৰ অন্তৰ্ভুক্ত কৰা হৈছিল। সেয়েহে, এক ব্যৱসায়ী হিচাপে আপীলকাৰী-কোম্পানীটোৰ, উপকৰ অন্তৰ্ভুক্ত কৰি নিৰ্ধাৰিত মূল্যত সামগ্ৰীসমূহ বিক্ৰী কৰা আৰু উপকৰখিনি উক্ত 'অইল পুল একাউন্ট'লৈ স্থানান্তৰ কৰাৰ বাদে কোনো বিকল্প নাছিল। ন্যূনতম মূল্য, বি আৰ পি এলৰ পৰা অসমত সামগ্ৰী ক্ৰয় কৰাৰ সময়ত দিয়া বিক্ৰী কৰ আৰু কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰা লাভৰ হাৰ বৰ্তাই ৰখাৰ ক্ষেত্ৰতহে কেৱল আপীলকাৰী-কোম্পানীটো অধিকাৰী আছিল। আপীলকাৰীৰ মতে, সংগ্ৰহ কৰা আৰু 'অইল পুল একাউন্ট'লৈ প্ৰেৰণ কৰা উপকৰৰ পৰিমাণ আপীলকাৰীৰ টাৰ্ণঅ'ভাৰৰ অংশ নাছিল আৰু পুল একাউন্টৰ বন্দৰস্তৰ জৰিয়তে উক্ত উপকৰৰ পৰিমাণ তৎক্ষণাত 'অইল পুল একাউন্ট'লৈ প্ৰেৰণ কৰা হৈছিল।

আপীলকাৰীৰ মতে, অধিনিয়মখনৰ ধাৰা ৮ ৰ অধীনত, ৰাজ্যৰ ভিতৰত বিক্ৰীৰ প্ৰথম স্থানত অনুসূচী II ত উল্লেখ কৰা সামগ্ৰীসমূহৰ ক্ষেত্ৰত কৰ আৰোপ কৰা হৈছিল। অনুসূচী II ৰ ৬৩ ৰ পৰা ৭৩ নং বিষয়সমূহে বিভিন্ন ধৰণৰ পেট্ৰ'লিয়ামৰ সামগ্ৰীবোৰ সন্নিৱিষ্ট আছে। অসম সাধাৰণ বিক্ৰী কৰ অধিনিয়ম, ১৯৯৩ (ইয়াত পিছত "বিধি" বুলি উল্লেখ কৰা হ'ব) ৰ ধাৰা ৮(১)(এ) ৰ ১ নং ব্যাখ্যাৰ লগতে ১২ নং নিয়ম অনুসৰি যদি কোনো এজন ব্যৱসায়ীৰ পুনৰ বিক্ৰীৰ মূল্যই ক্ৰয় মূল্যৰ ৪০% অতিক্ৰম কৰে, তেন্তে উক্ত পুনৰ বিক্ৰীক ৰাজ্যখনৰ ভিতৰতে প্ৰথম স্থানৰ বিক্ৰী বুলি গণ্য কৰা হ'লহেঁতেন। উক্ত মোকৰ্দমাৰ লগত জড়িত সমস্যাসমূহ সঠিকভাৱে বিচাৰ কৰিবলৈ আমি এই পৰ্য্যায়ত অধিনিয়মখনৰ অন্তৰ্গত ধাৰা ৮(১)(এ), নিয়মাৱলীৰ অন্তৰ্গত ১২ নং নিয়ম আৰু অধিনিয়মখনৰ অন্তৰ্গত ধাৰা ২(৩৪) ক নিম্নলিখিত ধৰণে নিৰ্ধাৰণ কৰাটো উপযুক্ত বুলি বিবেচনা কৰোঁ :

*"ধাৰা ৮*। কৰ আৰু হাৰৰ মাছুল ---

(১) ধাৰা ৭ ৰ অধীনত যিকোনো বৰ্ষৰ বাবে আৰোপ কৰিবলগীয়া কৰ উক্ত বৰ্ষৰ কালত কৰযোগ্য টাৰ্ণঅ'ভাৰৰ ওপৰত আৰোপ কৰা হ'ব –

(ক) ৰাজ্যৰ ভিতৰতে বিক্ৰীৰ প্ৰথম স্থানত, অনুসূচী II ত উল্লেখ কৰা সামগ্ৰীবোৰৰ ক্ষেত্ৰত, সেই অনুসূচীত উল্লেখ কৰা হাৰ বা হাৰসমূহত;

*ব্যাখ্যা ১* : যেতিয়া এজন ব্যক্তিয়ে, ব্ৰেণ্ডৰ নামৰ বা আন কোনো ব্যক্তিৰ অধীনত অন্য ব্যক্তিক বিক্ৰী কৰিবৰ বাবে নাইবা বিতৰণ বা বিক্ৰীৰ মধ্যস্থকাৰী হিচাপে পুনৰ বিক্ৰীৰ বাবে বা নিৰ্মাণৰ বাহিৰে সামগ্ৰীবোৰ অন্য কোনো প্ৰক্ৰিয়াত ব্যৱহাৰ কৰা বা পুনঃ পেকিং কৰাৰ পাছত পুনৰ বিক্ৰীৰ বাবে তেওঁৰ দ্বাৰা নিৰ্মিত বা তেওঁৰ দ্বাৰা আমদানিকৃত সামগ্ৰীৰ বেছিভাগ অংশ বিক্ৰী কৰে, আৰু যেতিয়া পুনৰ বিক্ৰীত লগোৱা মূল্য তেনে সামগ্ৰী বা তেনে সামগ্ৰীৰ শ্ৰেণীৰ ক্ষেত্ৰত নিৰ্ধাৰণ কৰা বিক্ৰী মূল্যৰ শতাংশক অতিক্ৰম কৰে; তেতিয়া, তেনে ব্যক্তিৰ দ্বাৰা কৰা পুনৰ বিক্ৰীক, যদি এই সন্দৰ্ভত গঠন কৰা অন্য কোনো নিয়ম আছে তাৰ অধীনত ৰাজ্যৰ ভিতৰতে বিক্ৰীৰ প্ৰথম স্থান বুলি গণ্য কৰা হ'ব;

× × ×"

নিয়মাৱলীৰ অন্তৰ্গত ১২ নং নিয়মৰ সৈতে সংগতিপূৰ্ণ অংশটো নিম্নলিখিত ধৰণৰ :

*"নিয়ম ১২ (১)*। যেতিয়া কোনো এজন ব্যক্তিয়ে ধাৰা ৮ ৰ উপ-ধাৰা (I) ৰ দফা (এ) ৰ অধীনত অনুসূচী II এ সামৰি লোৱা সামগ্ৰীবোৰ ক্ৰয় কৰাৰ পিছত উপৰোক্ত দফাৰ ব্যাখ্যাত উল্লেখ কৰা ধৰণেৰে উক্ত সামগ্ৰীবোৰ বিক্ৰী কৰে আৰু যদি পুনঃ বিক্ৰীৰ সময়ত লোৱা মূল্য মূল বিক্ৰী বা ক্ৰয় মূল্যৰ চল্লিশ শতাংশ অতিক্ৰম কৰে, তেতিয়া তেনে সামগ্ৰী বা তেনে সামগ্ৰীৰ শ্ৰেণীৰ ক্ষেত্ৰত তেনে ব্যক্তিয়ে কৰা উক্ত সামগ্ৰীৰ পুনৰ বিক্ৰীক ৰাজ্যৰ ভিতৰতে বিক্ৰীৰ প্ৰথম বিন্দু বুলি গণ্য কৰা হ'ব আৰু তেনেবোৰ সামগ্ৰীৰ বাবে কৰৰ হাৰ অনুসূচী II ত উল্লেখ কৰাৰ দৰে হ'ব।

× × ×"

অধিনীয়মখনৰ অন্তৰ্গত ধাৰা ২(৩৪)(ডি) এ "বিক্ৰী মূল্য" ক নিম্নলিখিত ধৰণে ব্যাখ্যা কৰে:

*"২(৩৪) "বিক্ৰী মূল্য"* মানে হ'ল ---

(ডি) দফা (৩৩) ৰ অন্য কোনো উপ-দফাৰ অধীনত বিক্ৰীৰ ক্ষেত্ৰত, আদায় দিবলগীয়া ৰাশিকে ধৰি সামগ্ৰীবোৰ বিক্ৰীৰ বাবে এজন ব্যৱসায়ীয়ে মূল্যৱান প্ৰয়োজনীয়তা হিচাপে লাভ কৰা বা লাভ কৰিবলগীয়া ধনৰাশিক আৰু সামগ্ৰীবোৰ গতাই দিয়াৰ সময়ত বা তাৰ আগত ব্যৱসায়ীজনে সামগ্ৰীৰ ক্ষেত্ৰত কৰা যিকোনো কামৰ বিষয়ে পৃথকে উল্লেখ কৰিছিল নে নাই নতুবা নিম্নলিখিত চৰ্তবোৰ বাদ দি সামগ্ৰীবোৰ গতাই দিয়াৰ পিছত কৰিবলগীয়া কাম বিক্ৰীৰ চুক্তিৰ অধীনত কৰা হৈছিল, নে এক পৃথক চুক্তিৰ অধীনত কৰা হৈছিল ---

(i) তাৰ অধীনত নিৰ্ধাৰিত চৰ্ত আৰু নিষেধাজ্ঞাসমূহ বাদ দি; বাহ্যিক মালবহনৰ খৰছ, বিলিকৰণ বা স্থাপন বা সুতৰ খৰছ যেতিয়া এনে সুতৰ খৰছ পৃথকে লোৱা হয়, আৰু

(ii) সৰ্বসাধাৰণ বাণিজ্যিক প্ৰথা অনুসৰি নগদ ৰেহাই হিছাপে অনুমোদিত যিকোনো ধনৰাশি:

যদিহে বিক্ৰীৰ কোনো বিল নাথাকে বা মূল্যায়ন কৰ্তৃপক্ষৰ মতে বিক্ৰীৰ বিল সামগ্ৰী সমূহৰ বজাৰ মূল্যতকৈ যথেষ্ট কম পৰিমাণৰ এক মূল্যৰ কাৰণে হয়, তেন্তে ব্যৱসায়ীজনে লাভ কৰিবলগীয়া মূল্যৱান ধনক নিৰ্দ্ধাৰিত পদ্ধতিৰে ধাৰ্য্য কৰা বজাৰ মূল্য বুলি ধৰা হ'ব।

*ব্যাখ্যা ১।* ক্ৰেতাই সামগ্ৰীৰ বিলিকৰণ আৰু দখল লাভ কৰাৰ আগতে তেনে সামগ্ৰীৰ ওপৰত পৰিশোধ কৰিবলগীয়া যিকোনো কৰ, শুল্ক বা কৰ্তব্য আৰু সামগ্ৰীসমূহ বিলিকৰণযোগ্য অৱস্থাত ৰখাৰ আগতেই হোৱা সকলো ব্যয়, খৰছ আৰু মাছুল; তেনে কৰ, শুল্ক, কৰ্তব্য, ব্যয়, খৰছ বা অন্যান্য মাছুল ক্ৰেতাই যে বহন বা পৰিশোধ কৰিব লাগিব তেনে কোনো চুক্তি, চুক্তিনামা বা বুজাবুজি নথকা সত্বেও, বিক্ৰী মূল্যত অন্তৰ্ভুক্ত কৰা হ'ব।

× × ×"

আপীলকাৰীয়ে লাভ কৰা/বহন কৰা "ক্ৰয় মূল্য" আৰু "বিক্ৰী মূল্য" ৰ মাজৰ পাৰ্থক্য ৪০% তকৈ বহুত কম আছিল; কিন্তু যদি "বিক্ৰী মূল্য" ত "উপকৰ" অন্তৰ্ভুক্ত কৰা হ'লহেঁতেন, তেতিয়া উক্ত পাৰ্থক্য ৪০% তকৈ অধিক হ'লহেঁতেন।

আপীলকাৰীৰ মতে, উক্ত বিবাদিত ৰায়ৰ ওপৰত উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিয়া উচিত আছিল যে আপীলকাৰীজনে কেৱল পাৰ্থক্যমূলক পৰিমাণৰ ওপৰত, অৰ্থাৎ, ইয়াৰ দ্বাৰা বি আৰ পি এলক প্ৰদান কৰা ধনৰাশি আৰু ব্যৱসায়ীসকলৰ জৰিয়তে আপীলকাৰীয়ে গ্ৰাহকৰ পৰা সংগ্ৰহ কৰা ধনৰাশিৰ মাজত থকা ব্যৱধানৰ ওপৰতহে বিক্ৰি কৰ পৰিশোধ কৰিবলৈ দায়বদ্ধ হ'ব। আপীলকাৰী-কোম্পানীয়ে এখন তালিকা প্ৰস্তুত কৰিছিল আৰু উচ্চ ন্যায়ালয়ত দাখিল কৰিছিল, য'ত আপীলকাৰীৰ-কোম্পানীয়ে ব্যৱসায় কৰা বিভিন্ন সামগ্ৰীৰ ক্ৰয় মূল্য আৰু বিক্ৰী মূল্যবোৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ হৈ আপীলকাৰীৰ-কোম্পানীয়ে সংগ্ৰহ কৰিবলগীয়া উপকৰৰ পৰিমাণ উপস্থাপন কৰা হৈছিল। আপীলকাৰীৰ-কোম্পানীয়ে প্ৰস্তুত কৰা, দাখিল কৰা আৰু নিৰ্ভৰ কৰা তালিকাখন তলত দিয়া ধৰণে গঠন কৰা হৈছে :

| সামগ্ৰীসমূহ | আৰ ই এফ মূল্য বাদ দি ক্ৰয় মূল্য | ০১/০৩/৯৪ তাৰিখৰ পৰা কাৰ্যকৰী হোৱা বিক্ৰী মূল্য | পুল একাউন্টত জমা দিবলগীয়া ধনৰ পৰিমাণ | ০১/০৩/৯৪ তাৰিখে বৃদ্ধি হোৱা বিক্ৰী মূল্য | পুল একাউন্টত জমা দিবলগীয়া ধনৰাশি |
|---|---|---|---|---|---|
| এ টি এফ | ৩২৪৫.৩৮ | ১০৮৮৬.৭১ | ৭৪৬৩.৫৬ | ১০৮৮৬.৭১ | ৭৪৬৩.৫৬ |
| এইচ্ এছ ডি | ২৫৫২.৬৬ | ৬৩১১.৭০ | ৩৬২০.২০ | ৫৫৬১.৭০ | ৩১২৩.৯৯ |
| এম এছ | ৪২৬৩.৭৬ | ১৫৪৮০.২২ | ১০৯৯০.৫৬ | ১৪৪৮০.২২ | ১০১৫৫.৫৪ |
| এফ চি | ১৯৬৭.৩৩ | ৫০০৮.৭৫ | ২৯০১.২৪ | ৫০০৮.৭৫ | ২৯০১.২৪ |

| | | | | | |
|---|---|---|---|---|---|
| এছ কে অ' | ২২৮৭.০০ | ২২১২.৫৪ | শূন্য | ২২১২.৫৪ | শূন্য |
| এল পি জি | ৩৪২০.০০ | ৫৮৬০.৭৫ | ৬৮০.০০ | ৫১৫৬.৫৫ | ৬৮০.০০ |

উদাহৰণ স্বৰূপে, আপীলকাৰী-কোম্পানীয়ে যে এভিয়েচন টাৰ্বাইন ইন্ধনত বি আৰ পি এলক বিক্ৰী মূল্য হিচাপে প্ৰতি কে এলত ৩২৪৫.৩৮ টকাকৈ পৰিশোধ কৰিছিল আৰু গ্ৰাহকৰ পৰা প্ৰতি কে এলত ১০,৮৮৬.৭১ টকাকৈ সংগ্ৰহ কৰিছিল। কিন্তু ১০,৮৮৬.৭১ টকাৰ ভিতৰত আপীলকাৰীয়ে এ টি এফ বিক্ৰীৰ বাবে মূল্যৱান প্ৰাপ্য হিচাপে প্ৰতি কে এলত ৩৪২৩.১৫ টকাহে ৰাখিছিল আৰু বাকী ৭৪৬৩.৫৬ টকা 'অইল পুল একাউন্ট'লৈ প্ৰেৰণ কৰিছিল। ৰাজ্যখনে বি আৰ পি এলক একেখিনি সামগ্ৰীৰ বাবে পৰিশোধ কৰা ৩২৪৫.৩৮ টকাৰ ওপৰত, যাৰ ওপৰত ইতিমধ্যে কৰ আদায় দিয়া হৈছিল, কোনো ৰেহাই নিদিয়াকৈ ১০,৮৮৬.৭১ টকাৰ সমগ্ৰ ৰাশিৰ ওপৰতে কৰ আৰোপ কৰিছিল। আপীলকাৰীৰ মতে, বি আৰ পি এলক পেট্ৰ'লিয়ামৰ পৰা সামগ্ৰী ক্ৰয় কৰাৰ সময়ত বিক্ৰী কৰৰ পৰিমাণৰ সালসলনি কৰাটো প্ৰতিবাদীসকলৰ বাবে বাধ্যতামূলক আছিল আৰু প্ৰতিবাদীসকলে সৰ্বাধিক ৭৪৬৩.৫৬ টকাৰ ভিন্ন পৰিমাণৰ বিক্ৰী কৰ আৰোপ কৰিব পাৰে। আপীলকাৰীৰ মতে, উক্ত বিবাদিত ৰায়ত উচ্চ ন্যায়ালয়ে এই দিশটোক সম্পূৰ্ণৰূপে আওকাণ আৰু উপেক্ষা কৰিছিল যদিও তাৰ কাৰণে বিশেষভাৱে অনুৰোধ কৰা আৰু যুক্তি দৰ্শোৱা হৈছিল।

আপীলকাৰীৰ অভিযোগ আছিল যে উচ্চ ন্যায়ালয়ে প্ৰদান কৰা বিবাদিত আদেশৰ পিছত, ৰাজহ বিভাগে মূল্যায়নৰ একপক্ষীয় আদেশবোৰ গৃহীত কৰিছিল আৰু ১৯৯৪-৯৫ বৰ্ষৰ পৰা ১৯৯৭-৯৮ বৰ্ষলৈকে এই সময়ছোৱাৰ ওপৰত ৩০৩.৯৮ কোটি টকাৰ দাবী উত্থাপন কৰিছিল আৰু অধিনিয়মখনৰ অন্তৰ্গত ধাৰা ৮(১) ৰ অধীনত প্ৰথম বিক্ৰী বুলি অভিহিত কৰি আপীলকাৰীয়ে বি আৰ পি এলক প্ৰদান কৰা বিক্ৰী কৰসমূহ, যাৰ ওপৰত ইতিমধ্যে কৰ আৰোপ কৰা হৈছিল, সেই বিক্ৰী কৰসমূহ কোনো সালসলনি নকৰাকৈ আপীলকাৰীয়ে তেওঁলোকৰ গ্ৰাহকৰ পৰা সংগ্ৰহ কৰা সমগ্ৰ ধনৰাশিৰ ওপৰতে কৰ আৰোপ কৰা হৈছিল আৰু লগতে সুতৰ ৰূপত ১৫৮.১২ কোটি টকাৰ এক বৃহৎ পৰিমাণৰ কৰো আৰোপ কৰা হৈছিল।

আপীলকাৰীৰ মতে, বিবেচনা কৰিবৰ বাবে উত্থাপিত হোৱা প্ৰশ্নটো আছিল যে "বিক্ৰী মূল্য" টো ভাৰত চৰকাৰে নিৰ্ধাৰণ কৰা তথা ব্যৱসায়ীজনে লাভ কৰিবলগীয়া ধনৰাশি আছিল নে নতুবা "অইল পুল একাউন্ট"ক পৰিশোধ কৰিবলগীয়া ধনৰ লগতে বিবেচনাৰ জৰিয়তে ব্যৱসায়ীজনে সংগ্ৰহ কৰিবলগীয়া ধনৰ পৰিমাণ আছিল| আপীলকাৰীৰ মতে, বিবেচনা কৰিবৰ বাবে উত্থাপিত হোৱা আনটো প্ৰশ্ন আছিল যে যদি অধিনিয়মখনৰ ধাৰা ৮ ৰ অন্তৰ্গত ১ নং ব্যাখ্যাৰ ভিত্তিত 'বিক্ৰীৰ প্ৰথম বিন্দু'ক আপীলকাৰীৰ (আই অ' চি) বুলি ধৰা হয়, তেন্তে ইয়াৰ ওপৰত বি আৰ পি এলক কৰ আৰোপ কৰিব নোৱাৰি কাৰণ ধাৰা ৮ ৰ অন্তৰ্গত ১ নং ব্যাখ্যাই দুজন ব্যৱসায়ীৰ হাতত 'প্ৰথম স্থানৰ বিক্ৰী' প্ৰদান কৰাৰ কথা অৱতাৰণা নকৰে, ই কেৱল 'প্ৰথম স্থানৰ বিক্ৰী'ক স্থানান্তৰ কৰাৰ কথাৰহে অৱতাৰণা কৰিছিল| আকৌ এই প্ৰশ্নও উত্থাপন হ'ব যে অসমত বি আৰ পি এলৰ পৰা সামগ্ৰী ক্ৰয় কৰাৰ সময়ত আপীলকাৰীয়ে পৰিশোধ কৰা কৰসমূহৰ সালসলনি নকৰাটো প্ৰথম বিক্ৰীৰ স্থানত হৈছিলনে, যেতিয়া আপীলকাৰীয়ে একেখিনি সামগ্ৰীৰ ক্ষেত্ৰত কৰা দ্বিতীয় বিক্ৰীক অধিনিয়মখনৰ অন্তৰ্গত ধাৰা ৮(১)(এ) ৰ ১ নং ব্যাখ্যাৰ আনুমানিক বিধানৰ কাৰণে অসমত প্ৰথম বিক্ৰী বুলি গণ্য কৰা হৈছিল আৰু একে সামগ্ৰীৰ ওপৰতে আৰোপ কৰা কৰ দুগুণ কৰ আৰোপকৰণৰ সমান নহ'ব বুলি কোৱা হৈছিল|

আপীলকাৰী-কোম্পানীটোৱে বাৰে বাৰে কৈছিল যে তেওঁলোকে ভাৰত চৰকাৰে নিৰ্দ্ধাৰণ কৰা মূল্যত তেওঁলোকৰ সামগ্ৰীবোৰ বিক্ৰী কৰিবলগীয়া হৈছিল আৰু তেনে মূল্য নিৰ্ধাৰণ কৰাৰ সময়ত 'উপকৰ'ৰ নিমিত্তে ধনৰ এটা পৰিমাণ অন্তৰ্ভুক্ত কৰা হৈছিল যিটো 'উপকৰ' হিচাপে সংগ্ৰহ কৰিবলগীয়া হৈছিল আৰু 'অইল পুল একাউন্ট'ত জমা দিবলগীয়া হৈছিল| প্ৰশাসিত মূল্য ব্যৱস্থাৰ অধীনত তেলৰ কোম্পানীসমূহে কৰযোগ্য সামগ্ৰীৰ প্ৰথম বিক্ৰীৰ বা কৰ পৰিশোধ কৰা সামগ্ৰীৰ পুনৰ বিক্ৰীৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ ভিতৰতে একে ধৰণৰ এক বিক্ৰী কৰৰ মূল্য আৰোপ কৰিবলৈ বাধ্য হৈছিল| কৰযোগ্য/কৰ পৰিশোধ কৰা সামগ্ৰীৰ বিক্ৰী কৰৰ বিভিন্ন ঘটনাৰ নিমিত্তে কৰা যিকোনো নিম্ন-পুনৰুদ্ধাৰ বা অতিৰিক্ত-পুনৰুদ্ধাৰ যথাক্ৰমে উপযুক্ত দাবী/প্ৰত্যাৰ্পণৰ দ্বাৰা 'অইল পুল একাউন্ট'ৰ জৰিয়তে সালসলনি কৰিব লাগিছিল| এখন নিৰ্দিষ্ট ৰাজ্যৰ বাবে ৰাজ্যিক-উপকৰ আঁচনি সেই ৰাজ্যত আৰোপযোগ্য বিভিন্ন ধৰণৰ কৰসমূহ বিবেচনা কৰি তেল সমন্বয় সমিতিৰ দ্বাৰা প্ৰণয়ন কৰা হৈছিল| তেনে কৰোতে, যিকোনো নিম্ন/অতিৰিক্ত-পুনৰুদ্ধাৰ, যি যৌগিক বিল প্ৰস্তুতকৰণৰ সময়ত উদ্ভৱ হৈছিল, আৰু য'ত আন্তঃ তেল কোম্পানীৰ ৰেহাই উপলব্ধ নাছিল, ৰাজ্যিক-উপকৰৰ জৰিয়তে

ৰাজ্যৰ গ্ৰাহকৰ ওপৰত আৰোপ কৰিবলগীয়া মুঠ পৰিমাণৰ ওপৰত কাম কৰিবলৈ তেনে পুনৰুদ্ধাৰো সালসলনি কৰা হৈছিল। আপীলকাৰীয়ে দাবী কৰিছিল যে ১৯৯৪-৯৫ চনৰ পৰা ১৯৯৭-৯৮ চনলৈকে এই সময়ছোৱাত, উত্থাপিত একে লেনদেনৰ ক্ষেত্ৰত আপীলকাৰীয়ে বি আৰ পি এলক ৪৪.১৬ কোটি টকা বিক্ৰী কৰ হিচাপে পৰিশোধ কৰিছিল।

০৭/০২/১৯৯৬ তাৰিখে প্ৰতিবাদী নং ৩, জ্যেষ্ঠ কৰ অধীক্ষকজনে আপীলকাৰী-কোম্পানীক আপীলকাৰী-কোম্পানীয়ে ব্যৱসায় কৰা বিভিন্ন সামগ্ৰীৰ "ক্ৰয়" আৰু "বিক্ৰী মূল্য" ৰ বিষয়ে সবিশেষ সুধিছিল আৰু তেওঁলোকৰ মতামত আছিল যে যিহেতু উক্ত আপীলকাৰী-কোম্পানীৰ "বিক্ৰী মূল্য" ক্ৰয় মূল্যতকৈ ৪০% অধিক, সেয়েহে অসম সাধাৰণ বিক্ৰী কৰ অধিনিয়ম, ১৯৯৩ ৰ ধাৰা ৮(১)(এ) ৰ ব্যাখ্যা লগতে নিয়মাৱলীৰ অন্তৰ্গত ১২ নং নিয়মৰ অনুসৰি দ্বিতীয় বিক্ৰীক প্ৰথম বিক্ৰী হিচাপে গণ্য কৰিব লাগিছিল আৰু অসম ৰাজ্যৰ প্ৰথম বিক্ৰী হিচাপে গণ্য কৰি দ্বিতীয় বিক্ৰীৰ ওপৰত কৰ পৰিশোধ কৰিবলৈ আপীলকাৰী-কোম্পানীটো দায়বদ্ধ আছিল।

আপীলকাৰী-কোম্পানীটোৱে প্ৰতিবাদী নং ৩, কৰৰ জ্যেষ্ঠ অধীক্ষকজনক আঙুলিয়াই দিছিল যে আপীলকাৰী-কোম্পানীটোৰ "বিক্ৰী মূল্য" ত কেন্দ্ৰীয় চৰকাৰৰ হৈ সংগ্ৰহ কৰা 'উপকৰ'ৰ এটা পৰিমাণ অন্তৰ্ভুক্ত কৰা হৈছিল আৰু বিষয়টোৰ সেই দৃষ্টিভঙ্গী অনুসৰি অধিনিয়মখনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ হৈ আপীলকাৰী-কোম্পানীয়ে সংগ্ৰহ কৰা 'উপকৰ'ৰ পৰিমাণ হ্ৰাস কৰাৰ পাছত "বিক্ৰী মূল্য" নিৰ্ধাৰণ কৰিব লাগে যিটো 'অইল পুল একাউন্ট' লৈ অৱদান দিবলগীয়া হৈছিল।

১৭/০২/১৯৯৬ তাৰিখে কৰৰ জ্যেষ্ঠ অধীক্ষকজনে আপীলকাৰী-কোম্পানীক ০১/০৭/১৯৯৩ তাৰিখৰ পৰা ১৮/০২/১৯৯৬ তাৰিখলৈকে বি আৰ পি এলৰ সামগ্ৰীৰ ক্ৰয় আৰু বিক্ৰীৰ সৈতে জড়িত একাউন্ট আৰু অভিলেখবোৰ দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। আপীলকাৰী-কোম্পানীয়ে বিচৰা ধৰণে উক্ত তথ্য দাখিল কৰিছিল।

জ্যেষ্ঠ কৰ অধিক্ষকজনৰ দ্বাৰা ২৮/০৩/১৯৯৬ তাৰিখৰ আন এখন জাননী প্ৰেৰণ কৰি শাস্তিমূলক ব্যৱস্থা আৰম্ভ কৰাৰ বিৰুদ্ধে কাৰণ দৰ্শাবলৈ আপীলকাৰী-কোম্পানীক এই ভিত্তিত নিৰ্দেশ দিয়া হৈছিল যেঅধিনিয়মখনৰ ধাৰা ৮(১)(এ) লগতে নিয়মাৱলীৰ অন্তৰ্গত ১২ নং নিয়ম অনুসৰি বিক্ৰীৰ মধ্যস্থতাকাৰী হোৱাৰ বাবে বি আৰ পি এলৰ পৰা ক্ৰয় কৰা

সামগ্রসমূহ বিক্ৰীৰ ওপৰত কৰ পৰিশোধ কৰিবলৈ আপীলকাৰী-কোম্পানীটো দায়বদ্ধ আছিল, কিন্তু অভিযোগ অনুসৰি আপীলকাৰী-কোম্পানীটোৱে উক্ত বিক্ৰীৰ ওপৰত কৰ পৰিশোধ নকৰি তেওঁলোকৰ ওপৰত থকা দায়বদ্ধতাক অৱদমিত কৰিছিল। ০১/০৭/১৯৯৩ তাৰিখৰ পৰা এই সময়ছোৱাত বি আৰ পি এলৰ পৰা ক্ৰয় কৰা সামগ্ৰসমূহৰ বিক্ৰীৰ ওপৰত থকা কৰ পৰিশোধ সম্পন্ন কৰিবলৈ আৰু উক্ত কৰ অসম ৰাজ্যৰ ভিতৰতে নিষ্কাশন কৰিবলৈও আপীলকাৰী-কোম্পানীটোক নিৰ্দেশ দিয়া হৈছিল। ওপৰত উল্লেখিত ২৮/০৩/১৯৯৬ তাৰিখৰ আঁচনিখনক প্ৰত্যাহ্বান জনাই আপীলকাৰীয়ে উচ্চ ন্যায়ালয়ত এখন লেখ আৱেদন দাখিল কৰিছিল য'ত অন্যান্য বিষয়ৰ লগতে কৰ পৰিশোধৰ বাবে এই ভিত্তিত দাবী জনোৱা হৈছিল যে জাননীখন বিচাৰৰ ক্ষেত্ৰাধিকাৰহীন আছিল যিহেতু কৰৰ দায়বদ্ধতাৰ কথা আহি পৰিব পৰাকৈ আপীলকাৰীয়ে কোনো কৰ পৰিশোধ কৰিবলগীয়া নাছিল কাৰণ, ক্ৰয় মূল্য আৰু আপীলকাৰীয়ে লাভ কৰা/বহন কৰা "বিক্ৰী মূল্য" ৰ মাজৰ ব্যৱধান ৪০% তকৈ বহুত কম আছিল। বিদ্বান একক ন্যায়াধীশ গৰাকীয়ে ০২/১১/১৯৯৮ তাৰিখৰ ৰায়ৰ জৰিয়তে এই দৃষ্টি দাঙি ধৰি উক্ত লেখ আবেদনখন খাৰিজ কৰিছিল যে আপীলকাৰী-কোম্পানীয়ে সংগ্ৰহ কৰা 'উপকৰ'ৰ পৰিমাণ যদিও 'অইল পুল একাউন্ট'লৈ প্ৰেৰণ কৰা হৈছিল, সেই পৰিমাণক অধিনিয়মখনৰ অন্তৰ্গত ধাৰা ২ ৰ উপ-ধাৰা (৩৪) ৰ অধীনত সংজ্ঞায়িত কৰাৰ দৰে "বিক্ৰী মূল্য"ত অন্তৰ্ভুক্ত কৰিব লাগিছিল।

বিদ্বান একক ন্যায়াধীশ গৰাকীয়ে প্ৰদান কৰা উক্ত ৰায়ত ক্ষুব্ধ হৈ উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ সন্মুখত আপীলকাৰীয়ে এখন লেখ আৱেদন দাখিল কৰিছিল। ০৩/০৫/২০০১ তাৰিখৰ ৰায়ৰ জৰিয়তে উক্ত খণ্ড বিচাৰপীঠে সেই লেখ আপীলটো খাৰিজ কৰিছিল আৰু *অন্যান্য বিষয়ৰ লগতে* কৈছিল যে কেন্দ্ৰীয় চৰকাৰৰ হৈ আপীলকাৰীয়ে সংগ্ৰহ কৰা আৰু 'অইল পুল একাউন্ট'ত অৱদান দিয়া 'উপকৰ' বিধিগিত সংগ্ৰহ নাছিল কিন্তু কাৰ্যবাহী নিৰ্দেশনাৰ অধীনত সংগ্ৰহ কৰা হৈছিল আৰু সেই কৰক "বিক্ৰীৰ মূল্য" গণনা কৰাৰ সময়ত বাদ দিব পৰা নাযায়। এইটো উপস্থাপন কৰা হৈছিল যে আপীলকাৰী-কোম্পানীয়ে কৰা বিক্ৰীক নিয়মাৱলীৰ অন্তৰ্গত ১২ নং নিয়মৰ সৈতে পঢ়া অধিনিয়মখনৰ ধাৰা ৮(১)(এ) ৰ অৰ্থৰ ভিতৰত প্ৰথম বিক্ৰী হিচাপে গণ্য কৰিব লাগিছিল যিহেতু পুনৰ বিক্ৰীৰ মূল্যই ক্ৰয় মূল্যৰ ৪০% অতিক্ৰম কৰিছিল।

উক্ত বিবাদিত ৰায়ত ক্ষুব্ধ হৈ আপীলকাৰীয়ে এইখন ন্যায়ালয়ত এই আপীল দাখিল কৰিছিল।

আপীলকাৰী-কোম্পানীটোৱে যদিও সকলো কাৰণৰ পুনৰাবৃত্তি কৰিছিল আৰু উচ্চ ন্যায়ালয়ত প্ৰত্যাহ্বান জনাইছিল, কিন্তু যুক্তি-তৰ্কৰ সময়ত বিদ্বান চলিছিটৰ জেনেৰেল, মিষ্টাৰ জি. ই. বাহনৱতীয়ে নিম্ন লিখিত দাখিলসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল :

(ক) অধিনিয়মখনৰ বিধান অনুসৰি, বিশেষকৈ ব্যাখ্যা নং ১ আৰু ২ ৰ সৈতে পঢ়া ধাৰা ৮ ৰ ১ নং উপ-ধাৰাত দুগুণ কৰ আৰোপ কৰাৰ কথা অৱতাৰণা কৰা হোৱা নাই৷

(খ) বি আৰ পি এলৰ পৰা পেট্ৰ'লিয়ামৰ সামগ্ৰী ক্ৰয় কৰাৰ সময়ত আপীলকাৰীয়ে উক্ত বিক্ৰীক ৰাজ্যৰ ভিতৰতে প্ৰথম স্থানৰ বিক্ৰী হিচাপে নিৰ্ণয় কৰি ইতিমধ্যেই বিক্ৰী কৰ পৰিশোধ কৰিছিল৷ ৰাজ্যখনত পুনৰ আই অ' চিৰ হাতত থকা একেখিনি সামগ্ৰীৰ ওপৰত কৰ আৰোপ কৰাৰ প্ৰশ্ন উত্থাপন হ'ব নোৱাৰে কাৰণ ব্যাখ্যা নং ১ ত কেৱল তাত নিৰ্ধাৰিত কিছুমান আকস্মিক পৰিস্থিতিৰ সৃষ্টি হ'লেহে ৰাজ্যখনত প্ৰথম স্থানৰ বিক্ৰীৰ স্থানান্তৰ কৰাৰ কথা কোৱা হৈছিল কিন্তু একেখিনি সামগ্ৰীৰ বিক্ৰীৰ ক্ষেত্ৰত ৰাজ্যৰ দুজন ব্যৱসায়ীৰ ওপৰত কৰ আৰোপ কৰি দুগুণ বা বহু ধৰণৰ কৰ আৰোপকৰণৰ কথা কোৱা হোৱা নাছিল৷

(গ) মিষ্টাৰ বাহনৱতীৰ মতে, উক্ত বিবাদিত আদেশত উচ্চ ন্যায়ালয়ে ৰায় প্ৰদান কৰা উচিত আছিল যে বিক্ৰী কৰ কেৱল পুনৰ বিক্ৰী মূল্য আৰু ক্ৰয় মূল্যৰ মাজৰ পাৰ্থক্যৰ ওপৰতহে আৰোপ কৰা হ'ব যিহেতু অধিনিয়মখনৰ ধাৰা ৮(১) ৰ অধীনত প্ৰথম স্থানৰ বিক্ৰীৰ ওপৰত কৰ আৰোপ কৰা হৈছিল৷ বি আৰ পি এলৰ পৰা সামগ্ৰী ক্ৰয় কৰোতে আপীলকাৰীয়ে বিক্ৰী কৰ পৰিশোধ কৰিছিল আৰু এনেদৰেই মূল্যৰ পাৰ্থক্যৰ ওপৰতহে বিক্ৰী কৰ আৰোপ কৰিব পৰা যাব অন্যথা ই অধিনিয়মখনৰ আঁচনিত অৱতাৰণা নকৰা দুগুণ কৰৰ সমান হ'ব৷

মিষ্টাৰ বাহনৱতীয়ে তেওঁৰ দাবীসমূহৰ ক্ষেত্ৰত সহায় ল'বৰ কাৰণে এই ন্যায়ালয়ৰ *মেচাৰ্ছ এডভাঞ্চ ব্ৰিকচ্ কোম্পানী বনাম মূল্যায়ন কৰ্তৃপক্ষ, ৰোহতাক আৰু অন্যান্য,* [১৯৮৭] সংযোজন (Supp.) এছ চি চি ৬৫০ ৰ ওপৰত নিৰ্ভৰ কৰিছিল৷ উক্ত মোকৰ্দমাত, আপীলকাৰী হাৰিয়ানা সাধাৰণ বিক্ৰীৰ কৰ অধিনিয়ম, ১৯৭৩ ৰ অধীনত এজন পঞ্জীয়নভুক্ত ব্যৱসায়ী আছিল৷ আপীলকাৰীৰ গোচৰটো আছিল যে আপীলকাৰীয়ে বিক্ৰী কৰ পৰিশোধ কৰি এক পঞ্জীয়নভুক্ত ব্যৱসায়ীৰ

পৰা ৰ'দত শুকুৱাই ৰখা ইটা ক্ৰয় কৰিছিল আৰু সেই পৰিমাণে উক্ত বিক্ৰী কৰ-পৰিশোধিত ইটাৰ বিক্ৰী মূল্যত অন্তৰ্ভুক্ত আছিল আৰু পিছত সেই ইটাবোৰ পুৰি পেলোৱা হৈছিল আৰু এক বৃহৎ মূল্যত বিক্ৰী কৰা হৈছিল। সেই পুৰি থোৱা ইটাৰ ওপৰত আপীলকাৰীয়ে কৰ পৰিশোধ কৰিব লাগিব বুলি কোৱা হৈছিল। প্ৰশ্ন উত্থাপন হৈছিল যে যেতিয়া আপীলকাৰীয়ে ৰ'দত শুকুৱাই ৰখা ইটা ক্ৰয় কৰিছিল, তেতিয়া তেওঁলোক পঞ্জীয়নভুক্ত ব্যৱসায়ীক ইতিমধ্যে পৰিশোধ কৰা বিক্ৰী কৰ কৰ্তন কৰাৰ গৰাকী আছিল নে নাই। উচ্চ ন্যায়ালয়কে ধৰি অন্যান্য সকলো কৰ্তৃপক্ষই আপীলকাৰীৰ দাবী নাকচ কৰিছিল। অৱশেষত, এই ন্যায়ালয়ে ৰায় প্ৰদান কৰিছিল যে আপীলকাৰীয়ে ৰ'দত শুকুৱাই ৰখা ইটা ক্ৰয় কৰাৰ সময়ত এক পঞ্জীয়নভুক্ত ব্যৱসায়ীক বিক্ৰী কৰ পৰিশোধ কৰিছিল আৰু তেতিয়া পৰিশোধ কৰা কৰৰ পৰিমাণৰ আপীলকাৰীয়ে আদায় দিয়া বুলি ধৰা উচিত আছিল আৰু বাকী থকা কৰখিনি আপীলকাৰীৰ পৰা আদায় উচিত আছিল।

বিদ্বান চলিছিটৰ জেনেৰেল গৰাকীয়ে দাবী কৰিছিল যে সদৃশতাৰ ওপৰত উক্ত মোকৰ্দমাৰ আপীলকাৰী-কোম্পানীক ক্ৰয় মূল্য আৰু পুনৰ বিক্ৰীৰ মূল্যৰ পৰিমাণৰ মাজৰ পাৰ্থক্যৰ ওপৰত বিক্ৰী কৰ পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া উচিত। ই উক্ত অধিনিয়মৰ অন্তৰ্গত আঁচনিখনৰ সৈতে সামঞ্জস্য বজায় ৰাখিব।

এই ন্যায়ালয়ে জাৰি কৰা কাৰণ দৰ্শোৱাৰ জাননী অনুসৰি, প্ৰতিবাদীৰ হৈ বিৰোধী শপতনামা দাখিল কৰিছিল অসম চৰকাৰৰ অতিৰিক্ত সহকাৰী আয়ুক্তই। উক্ত বিৰোধী শপতনামাত অভিযোগ কৰা হৈছিল যে উক্ত মোকৰ্দমাত, আপীলকাৰী-কোম্পানীয়ে বি আৰ পি এলৰ পৰা পেট্ৰ'লিয়ামৰ সামগ্ৰী ক্ৰয় কৰিছিল আৰু তেওঁলোকৰ বিভিন্ন ব্যৱসায়ীৰ জৰিয়তে গ্ৰাহকক বিক্ৰী কৰিছিল আৰু সমগ্ৰ বিক্ৰীতে গ্ৰাহকৰ পৰা কৰো সংগ্ৰহ কৰিছিল। উক্ত অধিনিয়মখনৰ বিধান অনুসৰি বিক্ৰীৰ সমগ্ৰ কৰ সংগ্ৰহ কৰা হৈছিল। কিন্তু, সংগ্ৰহ কৰা সমগ্ৰ বিক্ৰীৰ কৰ ৰাজ্য চৰকাৰৰ ওচৰত জমা কৰাৰ পৰিৱৰ্তে আপীলকাৰীয়ে তাৰ অপব্যৱহাৰ কৰিছিল আৰু বিধিগত বিধানৰ বিপৰীতে ৰাজ্য চৰকাৰৰ ওচৰত বিক্ৰী কৰ জমা কৰা নাছিল।

প্ৰতিবাদীসকলৰ হৈ হাজিৰ হোৱা বিদ্বান জ্যেষ্ঠ অধিবক্তা, মিষ্টাৰ চি. এ. সুন্দ্ৰমে দাবী কৰিছিল যে "বিক্ৰী মূল্য"ৰ সংজ্ঞাত আপীলকাৰী-কোম্পানীয়ে ক্ৰেতাসকলৰ পৰা লাভ কৰা প্ৰত্যেক ধনৰাশিকে সামগ্ৰীসমূহৰ বিক্ৰীৰ বাবে দিয়া ধন হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। ধাৰা ২(৩৪) ৰ উপ-দফা (ডি) অনুসৰি, পৃথকে উল্লেখ কৰা বা নকৰা যিকোনো ধনৰাশি নাইবা বিলিকৰণৰ সময়ত বা তাৰ আগত সামগ্ৰীসমূহৰ সন্দৰ্ভত কৰা যিকোনো কামকে ধৰি সামগ্ৰীসমূহৰ বিক্ৰীৰ ক্ষেত্ৰত ধনৰ মূল্যায়ন হিচাপে ব্যৱসায়ীজনে লাভ কৰা বা লাভ কৰিবলগীয়া ধনৰাশি "বিক্ৰী মূল্য"ৰ সংজ্ঞাৰ ভিতৰত অন্তৰ্ভুক্ত হয়।

মিষ্টাৰ সুন্দৰমে কৈছিল যে কেৱল অধিনিয়মখনৰ ধাৰা ৮(১)(এ) আৰু নিয়মাৱলীৰ ১২(১) নং নিয়মৰ পঠনেই ভালদৰে স্পষ্ট কৰি দিয়ে যে অধিনিয়মখনৰ বিধানসমূহে কোনো দ্ব্যৰ্থহীন সংজ্ঞাৰ নিৰ্ধাৰণ কৰা নাই যে দ্বিতীয় বিক্ৰীক প্ৰথম বিক্ৰী বুলি গণ্য কৰি দ্বিতীয় বিক্ৰীৰ ওপৰত কৰ আৰোপ কৰা হৈছিল, যদিহে মূল ক্ৰয় মূল্য আৰু পুনৰ বিক্ৰীৰ মূল্যৰ মাজৰ পাৰ্থক্য ৪০% তকৈ অধিক আছিল।

তাৰোপৰি, মিষ্টাৰ সুন্দৰম ডাঙৰীয়াই পুনৰ দাবী জনাইছিল যে বিক্ৰী মূল্য নিৰ্ধাৰণৰ অৰ্থে 'অইল পুল একাউন্ট'ত দিয়া অৰিহণাৰ কথা বিবেচনা কৰা উচিত নহয় বুলি কোৱাটো অনুচিত আছিল, যেতিয়া আপীলকাৰীয়ে নিজেই বিক্ৰী মূল্যৰ ওপৰত ক্ৰেতাসকলৰ পৰা বিক্ৰী কৰ সংগ্ৰহ কৰিছিল যিটো কেন্দ্ৰীয় 'অইল পুল একাউন্ট'লৈ দিয়া তাৎপৰ্যপূৰ্ণ উপকৰত অন্তৰ্ভুক্ত কৰা হৈছিল। বিৰোধী শপতনামাৰ, দফা 'চি' ত উল্লেখ কৰা হৈছে যে আপীলকাৰীয়ে জাৰি কৰা বিলত স্পষ্টভাৱে প্ৰকাশ পাইছে যে আপীলকাৰীয়ে মুঠ মূল্যায়নযোগ্য মূল্যৰ ওপৰত বিক্ৰী কৰ সংগ্ৰহ কৰিছিল য'ত 'অইল পুল একাউন্ট'ৰ অৰিহণাও অন্তৰ্ভুক্ত হৈ আছিল। মিষ্টাৰ সুন্দৰম ডাঙৰীয়াই পুনৰ কৈছিল যে আপীলকাৰীয়ে গ্ৰাহকৰ পৰা সংগ্ৰহ কৰা বিক্ৰী কৰৰ পৰিমাণ জমা নকৰাৰ আৰু সেই ধনৰ অপব্যৱহাৰ কৰাৰ কোনো যুক্তিযুক্ততা নাই।

আমি পক্ষসমূহৰ হৈ বিদ্বান অধিবক্তাসকলৰ পক্ষ দীঘলীয়াকৈ শুনিলো আৰু আৱেদনসমূহ পৰীক্ষা কৰিলো। আমাৰ বিবেচিত দৃষ্টিত, অধিনিয়মখনৰ অন্তৰ্গত ধাৰা ৮(১)(এ) আৰু ব্যাখ্যা নং I আৰু II ৰ এক সংযুক্ত পঠনে এই সিদ্ধান্তত উপনীত কৰায় যে দ্বিতীয় স্থানৰ বিক্ৰীক প্ৰথম স্থানৰ বিক্ৰীলৈ স্থানান্তৰিত কৰা হ'লহেঁতেন যদিহে এজন ব্যৱসায়ীৰ পুনৰ

বিক্ৰীৰ মূল্যই ৪০% অতিক্ৰম কৰিলেহেঁতেন। স্বীকাৰ্য্যভাৱে, উক্ত মোকৰ্দমাত পুনৰ বিক্ৰীৰ মূল্যই ক্ৰয় মূল্যৰ ৪০% অতিক্ৰম কৰিছিল, সেয়েহে পুনৰ বিক্ৰীৰ মূল্যক প্ৰথম স্থানৰ বিক্ৰী বুলি ধৰা হৈছিল।

অধিনিয়মখনৰ আঁচনি অনুসৰি, বিশেষকৈ ধাৰা ৮ ৰ উপ-ধাৰা (১) ত একেখন ৰাজ্যতে দুগুণ কৰ আৰোপ কৰাৰ কথা অৱতাৰণা কৰা হোৱা নাছিল। উক্ত মোকৰ্দমাত, আপীলকাৰী-কোম্পানীয়ে বি আৰ পি এলৰ পৰা পেট্ৰ'লিয়ামৰ সামগ্ৰী ক্ৰয় কৰাৰ ওপৰত বিক্ৰী কৰ পৰিশোধ কৰিছিল। তেনে ক্ষেত্ৰত, অধিনিয়মখনৰ আঁচনিৰ মতে, বিক্ৰী কৰ কেৱল পুনৰ বিক্ৰীৰ মূল্য আৰু ক্ৰয় মূল্যৰ ওপৰতহে আৰোপ কৰা হ'ব যিহেতু অধিনিয়মখনৰ অন্তৰ্গত ধাৰা ৮ ৰ উপ-ধাৰা (১) ৰ অধীনত প্ৰথম স্থানৰ বিক্ৰীৰ ক্ষেত্ৰতহে কৰ আৰোপ কৰা হয়। উক্ত আপীলকাৰী-কোম্পানীয়ে বি আৰ পি এলৰ পৰা সামগ্ৰী ক্ৰয় কৰিছিল আৰু উক্ত ক্ৰয়ৰ ওপৰত স্বীকাৰ্য্যভাৱে বিক্ৰী কৰ আদায় দিছিল। অধিনিয়মখনৰ অন্তৰ্গত বিধান সমূহৰ স্পষ্ট গঠন অনুসৰি আপীলকাৰীয়ে এতিয়া ক্ৰয় মূল্য আৰু সমগ্ৰ বিক্ৰী মূল্যৰ মাজৰ পাৰ্থক্যৰ পৰিমাণৰ ওপৰতহে কেৱল কৰ পৰিশোধ কৰাৰ দায়বদ্ধতাৰ অধীন হৈছিল। পুনৰ বিক্ৰী কৰা সমগ্ৰ ধনৰ ওপৰত বিক্ৰী কৰ দিবলৈ আপীলকাৰী-কোম্পানীক নিৰ্দেশ দিয়াটো দুগুণ কৰ আৰোপকৰণৰ সমতুল্য হ'ব।

বিৰোধী শপতনামাত স্পষ্টভাৱে অভিযোগ কৰা হৈছিল যে আপীলকাৰী-কোম্পানীয়ে সমগ্ৰ পুনৰ বিক্ৰীৰ মূল্যৰ ওপৰত বিভিন্ন ব্যৱসায়ীৰ জৰিয়তে গ্ৰাহকৰ পৰা বিক্ৰী কৰ সংগ্ৰহ কৰিছিল। কিন্তু সংগ্ৰহ কৰা সমগ্ৰ বিক্ৰী কৰ প্ৰতিবাদী অৰ্থাৎ ৰাজ্য চৰকাৰৰ হাতত জমা কৰাৰ পৰিৱৰ্তে আপীলকাৰী-কোম্পানীয়ে ইয়াৰ অপব্যৱহাৰ কৰিছিল। প্ৰতিবাদীসকলৰ মতে, এয়া অন্যায়ভাৱে কৰা সমৃদ্ধিৰ এক স্পষ্ট ঘটনা আছিল আৰু আপীলকাৰী-কোম্পানীয়ে তেওঁলোকে সংগ্ৰহ কৰা অতিৰিক্ত ধনৰাশি তেওঁলোকৰ লগত ৰাখিব নোৱাৰে।

২০০৬ চনৰ ২১ ছেপ্টেম্বৰত দাখিল কৰা অতিৰিক্ত শপতনামাত উপ-ব্যৱস্থাপক (বিত্ত), মিষ্টাৰ অজয় সিনহাই উল্লেখ কৰিছিল যে কোম্পানীয়ে তেওঁলোকৰ বিলত বিক্ৰীৰ জৰিয়তে কোনো ধন সংগ্ৰহ কৰা নাছিল আৰু বি আৰ পি এলৰ পৰা কৰা ক্ৰয় সমূহৰ পৰাহে তেওঁলোকে বিক্ৰী সম্পন্ন কৰিছিল। বিৰোধী শপতনামাত উল্লেখ কৰা কথাখিনি যদি সঁচা হয়

তেন্তে আপীলকাৰী-কোম্পানীক সমগ্ৰ বিক্ৰীতে বিক্ৰী কৰৰ দিশত গ্ৰাহকৰ পৰা সংগ্ৰহ কৰা ধনৰাশি তেওঁলোকৰ লগত ৰাখিবলৈ অনুমতি প্ৰদান কৰিব নোৱাৰি। যদিহে সংগ্ৰহ কৰা কোনো ধৰণৰ ধনৰাশি আছিল, তেন্তে সেই ৰাশি ৰাজ্য চৰকাৰৰ ওচৰত জমা কৰিব লাগিছিল। এই ঘটনামূলক বিতৰ্ক সমাধান কৰাটো এই ন্যায়ালয়ৰ পক্ষে সম্ভৱ নহয় যে আপীলকাৰী-কোম্পানীয়ে প্ৰকৃততে গ্ৰাহকৰ পৰা সমগ্ৰ ধনৰাশিৰ ওপৰতে কৰ সংগ্ৰহ কৰিছিল নে নাই। প্ৰয়োজন হ'লে, কৰৰ উক্ত জ্যেষ্ঠ অধীক্ষক গৰাকীয়ে উক্ত তথ্যটো নিশ্চিত কৰাৰ নিমিত্তে প্ৰাসংগিক নথিপত্ৰ দাখিল কৰিবৰ কাৰণে পক্ষসমূহক সুযোগ প্ৰদান কৰিব পাৰে। বিষয়টোৰ ক্ষেত্ৰত আৰু কোনো ধৰণৰ পলম নহ'বৰ বাবে আমি জ্যেষ্ঠ অধীক্ষক গৰাকীক এই আদেশ লাভ কৰা তাৰিখৰ পৰা তিনি মাহৰ ভিতৰত যিমান পাৰি সিমান ক্ষিপ্ৰতাৰে আৰু যিকোনো পৰিস্থিতিতে এই বিতৰ্কৰ ওপৰত সিদ্ধান্ত ল'বলৈ নিৰ্দেশ প্ৰদান কৰিছো।

যদিহে, জ্যেষ্ঠ কৰ অধীক্ষকজন এটা নিৰ্দিষ্ট পৰিশেষত উপনীত হয় যে আপীলকাৰী-কোম্পানীয়ে প্ৰকৃততে সমগ্ৰ বিক্ৰীৰ ওপৰতে বিক্ৰী কৰ সংগ্ৰহ কৰিছিল, তেন্তে আপীলকাৰী-কোম্পানীয়ে জ্যেষ্ঠ কৰ অধীক্ষকজনে প্ৰদান কৰা আদেশৰ তাৰিখৰ পৰা চাৰি সপ্তাহৰ ভিতৰত আৰু বিক্ৰী কৰৰ ধন সংগ্ৰহ কৰা তাৰিখৰ পৰা পৰিশোধ কৰা তাৰিখলৈকে ৯% সুতৰ সৈতে গ্ৰাহকসকলৰ পৰা সংগ্ৰহ কৰা সমগ্ৰ বিক্ৰী কৰৰ পৰিমাণ প্ৰতিবাদী ৰাজ্যৰ ওচৰত জমা কৰিব লাগিব। যদি নিৰ্দেশ দিয়া অনুসৰি নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত আপীলকাৰী-কোম্পানীয়ে উক্ত ধনৰাশি পৰিশোধ নকৰে, তেন্তে প্ৰতিবাদী ৰাজ্যৰ দ্বাৰা উক্ত ধনৰাশি ভূমি ৰাজহৰ বকেয়া হিচাপে আদায় কৰা হ'ব।

পূৰ্বৰ দফা সমূহত উল্লেখ কৰা উপৰোক্ত চৰ্তাৱলী অনুসৰি এই আপীল নিষ্কাশন কৰা হয়। মোকৰ্দমাটোৰ উক্ত তথ্য আৰু পৰিস্থিতিৰ ভিত্তিত, আমি পক্ষসমূহক তেওঁলোকৰ নিজা খৰছ নিজে বহন কৰিবলৈ নিৰ্দেশ প্ৰদান কৰোঁ।

বি.বি.বি. আপীল নিষ্পত্তি কৰা হ'ল।

অনুবাদক- মিঠুপ্ৰিয়া বৰা

পৰীক্ষক: মোবাৰক হুছেইন, জ্যেষ্ঠ অনুবাদক